প্ৰথম পৃষ্ঠাৰ পৰা—

কাহিলিপাৰাত ভয়ংকৰ

অভিযানৰ পিছত মৃতপ্ৰায় অৱস্থাত উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ইফালে ঘটনাস্থলী পৰিদৰ্শন কৰে গুৱাহাটী উন্নয়ন মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যুগেন মহন্তে। ইয়াৰ উপৰিও ধাৰাসাৰ বৰষুণৰ ফলত গুৱাহাটীৰ কেইবাটাও অঞ্চলত ক্ৰমাগতভাৱে ভূমিস্খলন হৈছে আৰু একাংশ লোকৰ ঘৰ-বাৰী ভাঙি পৰা দেখা গৈছে।

২৪ ঘণ্টাত ২,১৫,৪৪৬ জন

লোক নতুনকৈ কৰ'নাত আক্ৰান্ত হৈছে। ইয়াৰ লগতে ৪০৭ জনৰ মৃত্যু হৈছে। এতিয়া দেশত মুঠ কৰ'নাত আক্ৰান্তৰ সংখ্যা ৪,৯০,৪০১ জন। এই পৰ্যন্ত মুঠ মৃত্যুৰ সংখ্যা ১৫,৩০১ জন। ইয়াৰ মাজতে দেশত সুস্থৰ সংখ্যা বাঢ়িছে। ইয়াৰ পৰিমাণ হ'ল ৫৮.২৪ শতাংশ। এই পৰ্যন্ত দেশত ২,৮৫,৬৩৭ জন লোক সুস্থ হৈছে। কিন্তু ২৪ ঘণ্টাত নতুনকৈ সংক্ৰমণ হোৱা কথাই চিকিৎসকসকলৰ মাজত উদ্বেগৰ সৃষ্টি হৈছে। আক্ৰান্তৰ তালিকাত শীৰ্ষত আছে মহাৰাষ্ট্ৰ। এইখন ৰাজ্যত যোৱা ২৪ ঘণ্টাত নতুনকৈ আক্ৰান্ত হয় ৪,৮৪১ জন। ৰাজ্যখনত মুঠ আক্ৰান্তৰ সংখ্যা হ'ল ১,৪৭,৭৪১ জন। কেৱল মুম্বাইতে আক্ৰান্ত হৈছে ৭০,৯৯০ জন। ইয়াৰ পাছত আছে দিল্লী, তামিলনাডু, গুজৰাট, উত্তৰ প্ৰদেশ, ৰাজস্থান আৰু পশ্চিম বংগ। দিল্লীত মুঠ আক্ৰান্তৰ সংখ্যা হ'ল ৭৩,৭৮০ জন। তৃতীয় স্থানত থকা তামিলনাডুত মুঠ আক্ৰান্ত হ'ল ৭০,৯৭৭ জন। তালিকাৰ চতুৰ্থত থকা গুজৰাটত মুঠ আক্ৰান্ত হ'ল ২৯,৫২০ জন। মৃত্যুৰ তালিকাত সকলোবোৰ ৰাজ্যৰ ভিতৰত ওপৰত আছে মহাৰাষ্ট্ৰ। এইখন ৰাজ্যত সাত হাজাৰ লোকৰ মৃত্যু হৈছে। দিল্লীত ২৪২৯, গুজৰাটত ১৭৫৩, পশ্চিম বংগত ৬০৬ জনৰ মৃত্যু হৈছে। এই পৰ্যন্ত দেশত ৭৭,৭৬,২২৮ জন লোকৰ নমুনা পৰীক্ষা কৰা হৈছে। যোৱা ২৪ ঘণ্টাত ২,১৫,৪৪৬ জন লোকৰ নমুনা পৰীক্ষা কৰে।

১৫ জুলাইত চিবিএছই

দিয়াৰ বিষয়ে বিশেষ কেইবোৰ পদ্ধতি মানি চলা হ'ব। গড় নম্বৰত সন্তুষ্ট নহ'লে পুনৰ পৰীক্ষাৰ বাবে পৰীক্ষাৰ্থীয়ে আবেদন কৰিব পাৰিব। তিনিটা বেছি বিষয়ৰ পৰীক্ষা বেষ্ট অৱ থ্ৰী হিচাপে গড় নম্বৰ দিয়া হ'ব। বাকী বিষয়ৰ নম্বৰ আহিব বেষ্ট অৱ থ্ৰীৰ গড় নম্বৰত। এটা পৰীক্ষা দিলে আগৰ পৰীক্ষাৰ ভিত্তিত হ'ব মূল্যায়ন। তাৰ লগতে যোগ হ'ব প্ৰেক্টিকেল পৰীক্ষাৰ গড় নম্বৰ। আনহাতে জুলাইত আইচিএছচি, আইএছচি আৰু চিবিএছইৰ দশম, দ্বাদশ শ্ৰেণীৰ পৰীক্ষা বাতিল কৰে। এই কথা উচ্চতম ন্যায়ালয়ক জনোৱা হয়। উল্লেখ্য, লকডাউন উঠি যোৱাৰ পাছত ১ জুলাইৰ পৰা ১৫ জুলাইৰ ভিতৰত বাকী পৰীক্ষা অনুষ্ঠিত কৰাৰ কথা চিবিএছইয়ে বিজ্ঞপ্তি যোগে জনায়। ইয়াৰ পাছতে ছাত্ৰ-ছাত্ৰীৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি হয়। যিহেতু বিভিন্ন ৰাজ্যত ক'ৰোনা পৰিস্থিতি বিভিন্ন। লকডাউন উঠি গ'লেও ক'ৰোনাৰ সংক্ৰমণ দেশজুৰি তীব্ৰ হৈ আছে। শিক্ষাৰ্থীৰ নিৰাপত্তাৰ কথা ভাবি এই মুহূৰ্তত পৰীক্ষা স্থগিত কৰা হ'বনে বুলি একাংশ অভিভাৱকে উচ্চতম ন্যায়ালয়ত প্ৰশ্ন কৰে। যোৱা ১৮ জুনত এই বিষয়ে চিবিএছইৰ চূড়ান্ত সিদ্ধান্ত ল'বলৈ উচ্চতম ন্যায়ালয়ে এসপ্তাহৰ সময় দিয়ে। পৰৱৰ্তী শুনানিত ভিডিঅ' কনফাৰেন্স যোগে ন্যায়াধীশ এ এম খানউইলকৰ, ন্যায়াধীশ দীনেশ মহেশ্বৰী আৰু ন্যায়াধীশ সঞ্জীৱ খান্নাৰ বিচাৰপীঠে পৰীক্ষাৰ সিদ্ধান্তৰ বিষয়ে কেন্দ্ৰৰ পৰা জানিব বিচাৰে। ছলিচিটৰ জেনেৰেলে জনোৱা মতে এক বিশেষজ্ঞ সমিতিৰ দ্বাৰা পৰিস্থিতি পৰ্যালোচনা কৰি চাইছে। ইয়াৰ পাছত বৃহস্পতিবাৰে দিনৰ ৮ বজা পৰ্যন্ত চূড়ান্ত সিদ্ধান্ত জনোৱাৰ বাবে সময় দিয়ে। ইয়াৰ পাছতে উচ্চতম ন্যায়ালয়ে স্পষ্টকৈ জনায় যে চিবিএছই আৰু আইচিএছই পৰীক্ষা বাতিল কৰা হৈছে।

৫৪ ৰাষ্ট্ৰীয় ক্ৰীড়া

এক দশকৰ দীঘলীয়া আদালতৰ গোচৰৰ পিছতে এই সিদ্ধান্ত লোৱা হয়। এই সিদ্ধান্তৰ অৰ্থ তিনিটা ফেডাৰেচন-ইণ্ডিয়ান গল্ফ ইউনিয়ন, ভাৰতৰ স্কুল গেমছ ফেডাৰেচন আৰু ভাৰতৰ বইং ফেডাৰেচনৰ স্থগিতাদেশ থাকিব (প্ৰতিনিধিত্বমূলক)। চলিত মাহৰ আৰম্ভণিতে ক্ৰীড়া মন্ত্ৰালয়ক ফেডাৰেচনবোৰৰ স্বীকৃতি ২০২০ চনৰ ৩০ ছেপ্টেম্বৰ পৰ্যন্ত বঢ়াই দিছিল। সেয়ে আদেশটো প্ৰত্যাহাৰ কৰিবলৈ বাধ্য হয়। ক্ৰীড়া সংস্থাৰ উপ-সচিব এচ পি এচ টোমাৰে ৫৪টা ফেডাৰেচনলৈ পত্ৰত উল্লেখ কৰিছে যে দিল্লী উচ্চ ন্যায়ালয় কৰ্তৃক প্ৰদত্ত ২৪/০৬/২০২০ তাৰিখৰ আদেশত ০২/০৬/২০২০ তাৰিখৰ চিঠি অস্থায়ী মঞ্জুৰীপ্ৰাপ্ত ৫৪টা এনএচএফৰ বাৰ্ষিক স্বীকৃতি প্ৰত্যাহাৰ কৰা হৈছে। ফলত ইণ্ডিয়ান গল্ফ ইউনিয়ন, ভাৰতৰ স্কুল গেমছ ফেডাৰেচন আৰু ভাৰতৰ বইং ফেডাৰেচনৰ স্থগিতাদেশ থাকিব। ক্ৰীড়া মন্ত্ৰালয়ৰ এক কৰ্মকৰ্তাই জনোৱা মতে বিচাৰপীঠে নতুন আবেদন ল'ব আৰু এই সংকটৰ দ্ৰুত সমাধান কৰিব।

ফৰ্ম জি
এক্সপ্ৰেছন অৱ ইণ্টাৰেষ্ট আহ্বান
([illegible])

	প্ৰাসংগিক বিৱৰণ	
১	কৰ্পোৰেট প্ৰতিষ্ঠানৰ নাম	[illegible] লিমিটেড
২	কৰ্পোৰেট প্ৰতিষ্ঠানটো গঠন হোৱাৰ তাৰিখ	১১ ডিচেম্বৰ, ১৯৭৬
৩	কৰ্তৃপক্ষ যাৰ অধীনত কৰ্পোৰেট প্ৰতিষ্ঠান [illegible]	ৰেজিষ্ট্ৰাৰ অৱ কোম্পানীজ, শিলং
৪	[illegible]	[illegible]
৫	[illegible]	[illegible] প্ৰধান কাৰ্যালয় [illegible] কলকাতা-৭০০০[illegible]
৬	[illegible]	২৬ মাৰ্চ, ২০১৯
৭	[illegible]	২৭ জুন, ২০২০
৮	[illegible]	[illegible] khaitansandeep@gmail.com [illegible] the.nationalply@gmail.com [illegible]
৯	[illegible]	[illegible] www.ibbi.gov.in [illegible] khaitansandeep@gmail.com [illegible] the.nationalply@gmail.com [illegible]
১০	[illegible]	১২ জুলাই, ২০২০
১১	[illegible]	১৭ জুলাই, ২০২০
১২	[illegible]	২২ জুলাই, ২০২০
১৩	[illegible]	২৭ জুলাই, ২০২০
১৪	[illegible]	২৭ জুলাই, ২০২০
১৫	[illegible]	[illegible]
১৬	[illegible]	২৬ আগষ্ট, ২০২০
১৭	[illegible]	[illegible]
১৮	[illegible]	৩০ চেপ্টেম্বৰ, ২০২০
১৯	[illegible]	[illegible] IBBI/IPA-001/IP-P00532/2017-18/10957
২০	[illegible]	[illegible] ই-মেইল: khaitansandeep@gmail.com
২১	[illegible]	[illegible] the.nationalply@gmail.com
২২	[illegible]	[illegible] ই-মেইল: khaitansandeep@gmail.com
২৩	ফৰ্ম জি প্ৰকাশৰ তাৰিখ	২৭/০৬/২০২০

তাৰিখ: ২৭.০৬.২০২০
স্থান: গুৱাহাটী
[illegible]
IBBI/IPA-001/IP-P00532/2017-18/10957

বাঘজানৰ জুই

বিস্ফোৰণ আৰু তাৰ লগে লগে জ্বলি উঠা প্ৰচণ্ড জুয়ে সেই এলেকাটোৰ গঞা বাইজৰ বিস্তৰ ক্ষতিসাধন কৰাৰ উপৰি তাৰ অতি চহকী জৈৱ-বৈচিত্ৰ্যৰো অপূৰণীয় ক্ষতি সাধন কৰাৰ লগতে অসমৰ গৌৰৱৰূপে চিহ্নিত তৈল প্ৰতিষ্ঠানটোৰ অদক্ষতা আৰু দায়িত্বহীনতাকো সমগ্ৰ বিশ্বৰ আগত নগ্ন কৰি পেলালে। জুইৰ এই লেলিহান শিখাই কূপটোৰ পাঁচ কিলোমিটাৰ ব্যাসাৰ্ধলৈ সৃষ্টি কৰিছে ধ্বংসলীলাৰ। এই অগ্নিকাণ্ডৰ ফলত কিমান ক্ষয়-ক্ষতি হ'ল, হৈছে বা আৰু হ'ব তাৰ হিচাপ এতিয়ালৈকে উলিয়াব পৰা হোৱা নাই।

তেল কূপটোৰ সমীপৱৰ্তী অঞ্চলটোৰ মানুহৰ আলাই-আথানি তথা দুখ-দুৰ্গতিৰ সীমা নোহোৱা হৈছে। ৯ জুনত লগা জুই আজিও নিৰ্বাপিত কৰিব পৰা হোৱা নাই। ফলত অঞ্চলটোৰ (শিবিৰত থকা) মানুহৰ মনত ভয়, শংকাৰ ভাব এতিয়াও আঁতৰ হোৱা নাই। তাতে অঞ্চলটোত হোৱা তীব্ৰ বানে শিবিৰসমূহ বুৰাই পেলাইছে। মানুহবোৰ শিবিৰ এৰি পুনৰ অন্য নিৰাপদ ঠাইলৈ ঢাপলি মেলিব লগা হৈছে। ইপিনে বাঘজানলৈ নামি আহিছে আৰু এক মহাসংকট। যোৱা ৩২ দিন অহৰহ গেছ নিৰ্গমন, জুইৰ উত্তাপ, প্ৰচণ্ড শব্দই একপ্ৰকাৰ কোঙা কৰি পেলোৱা বাঘজানবাসীৰ মাজৰ পৰা কেতিয়া এই মহা সংকট দূৰ হ'ব তাৰ কোনো নিশ্চয়তা নোহোৱা হৈছে। যোৱা দুদিন ধৰি হোৱা মুষলধাৰ বৰষুণৰ ফলত বাঘজান-ডুমডুমা গড়কাপ্তানি পথত থকা একমাত্ৰ দলংখন ভাঙি যোৱাৰ ফলত বাঘজানলৈ যোৱা মূল পথটো বন্ধ হৈ পৰে। বাঘজানৰ জুই নুমুওৱাৰ বাবে এই পথটোৰেই বিভিন্ন সা-সামগ্ৰী নি থকা হৈছিল। এতিয়া পথটো বন্ধ হৈ পৰাত সেয়া আৰু কিমান দিনলৈ সম্ভৱ নহ'ব তাক কোৱা টান। মুঠতে বাঘজানৰ জুই নুমুওৱাত এক বিৰাট জটিলতা আহি পৰিছে।

জুই হয়তো এদিন নিৰ্বাপিত হ'ব। হ'বই। এক কথাত নিৰ্বাপিত কৰা হ'ব। কিন্তু অইলৰ দ্বাৰা পৰিচালিত অইল খাদ বা অইলৰ তেল সংগ্ৰহ কৰা ঠাই, পাইপলাইন আদিত পুনৰ জুই লগাৰ সম্ভাৱনাটো সদায় দিনলৈ থাকি যাব। কাৰণ, তেল কোম্পানীসমূহে সদায় তেল উৎপাদন আৰু সৰবৰাহ আদিৰ লগত জড়িত। তাতে তেল হ'ল এবিধ অতি সহজতে দাহনযোগ্য বা দাহ্য পদাৰ্থ। গতিকে ই সামান্য সুৰুঙাতে প্ৰজ্বলিত হৈ ধন-জনৰ বিস্তৰ ক্ষতিসাধন কৰিব পাৰে। ৯৬৫ চনত, আমি হাইস্কুলত পঢ়ি থকা দিনতে, কদ্ৰসাগৰ তৈলক্ষেত্ৰত হোৱা ভয়ংকৰ অগ্নিকাণ্ড দেখিছিলো। এই জুইকুৰা প্ৰায় ৪০ দিন ধৰি জ্বলি আছিল। ঘৰ, শস্য ক্ষেত্ৰকে ধৰি প্ৰচুৰ ক্ষয়-ক্ষতি হৈছিল। পিছত বাহিৰৰ পৰা বিশেষজ্ঞ আনিহে জুই নুমুৱাব পৰা হৈছিল। তেতিয়া অইলৰ হাতত যিকোনো দুৰ্ঘটনা, বিশেষকৈ জুই লগাৰ দুৰ্ঘটনাৰ মোকাবিলা কৰিব পৰাকৈ কোনো সুবিধা নাছিল। এতিয়াও তেনে কোনো সুবিধা নাই। এতিয়াও বিদেশৰ পৰাহে বিশেষজ্ঞ মাতিব লগা হয়। কদ্ৰসাগৰৰ অগ্নিকাণ্ডৰ পিছতো অইলৰ ভুলৰ বাবে বহুকেইটা অগ্নিকাণ্ড সংঘটিত হৈ গৈছে। তথাপি কিন্তু অইল কৰ্তৃপক্ষ এইক্ষেত্ৰত সজাগ আৰু সচেতন নহয়। এতিয়াও হোৱা নাই। বাঘজানৰ অগ্নিকাণ্ডৰ পৰৱৰ্তী সময়তো সেই একেটা কথাকে পৰিলক্ষিত হ'ল। বাঘজানৰ জুইকুৰা যোৱা ৯ জুনৰ দিনাৰে পৰা দিনে-নিশাই জ্বলি আছে। জুইকুৰাৰ ফলত দুজনকৈ লোকে প্ৰাণ হেৰুৱাইছে। পশু-পক্ষী, দুৰ্লভ নদী শিশুও নিপাত হৈছে। জৈব-বৈচিত্ৰ্যৰ কথা নকলোৱেইবা। মুনাফালোভী কোম্পানীবোৰৰ বাবে সেইবোৰ গুৰুত্বহীন কথা। অঞ্চলটোৰ ল'ৰা-তিৰোতা, বৃদ্ধ-বৃদ্ধাসকলৰ কথা ভাবক এবাৰ। কেনেকুৱা এক জীৱন কটাবলগীয়া হৈছে সেইসকলে। তথ্য-প্ৰযুক্তিৰ বলীয়ান এই যুগটোত এই কথাই শোভা পায়নে বাৰু? নে সেইসকল মানুহৰ জীৱন-জীৱিকাৰ কোনো মূল্য নাই?

এই কথা অনস্বীকাৰ্য যে অইল, অ' এন জি চি দৰে প্ৰতিষ্ঠানসমূহ নামত বিয়াগোম হ'লেও এইবোৰৰ কৰ্মদক্ষতা বা কৰ্মশক্তি নিচেই কম। এই কথা প্ৰমাণ হৈছে লাভজনক তৈলক্ষেত্ৰসমূহ ব্যক্তিগত খণ্ডৰ হাতত গতাই দিয়াৰ পৰা। সেই অনুসৰি বাঘজানৰ অভিশপ্ত তেল খাদটোত তেল-গেছ খননৰ দায়িত্ব চমজাই দিয়া হৈছিল 'জ'ন এনাৰ্জী প্ৰাইভেট লিমিটেড' নামৰ ব্যক্তিগত প্ৰতিষ্ঠান এটাৰ হাতত। প্ৰতিষ্ঠানটোৱে কাম-কাজ চলাই থকা অৱস্থাতে সংঘটিত হয় প্ৰলয়ংকাৰী অগ্নিকাণ্ডৰ ঘটনাটো। ইয়ে আৰু এটা কথাৰ প্ৰমাণ কৰে যে, অইলে পূৰ্বৰ এনে ধৰণৰ ঘটনাসমূহৰ পৰা কোনো ধৰণৰ শিক্ষা নল'লে বা শিক্ষা ল'বলৈ ইচ্ছা নকৰিলে। অইল কেৱল Corporate Disaster Managment plan নামৰ হাতপুথিখনত এইবুলি লিপিবদ্ধ কৰি ৰাখিছে যে, Oil/Gal Well blowonts, fire আদি হ'ল Disaster due to man made cause. মানুহে কৰা কাম যেতিয়া সেয়া কাৰোবাৰ ভুল বা গাফিলতিৰ বাবে হ'ব পাৰে। কিন্তু সেই বুলিয়েই দায়িত্ব সামৰিবনে অইলে? অইলৰ Disaster Managment ত কিমান সংখ্যক আৰু কি পৰ্যায়ৰ প্ৰশিক্ষণপ্ৰাপ্ত লোক আছে? ইয়াৰ এটা নিৰ্মোহ আলোচনা হ'ব লাগে। হোৱা উচিত।

বৰ্তমান শিবিৰত থকা মানুহবিলাকৰ অৱস্থা অৱৰ্ণনীয়। ক'ভিড -১৯ ৰ বিৰুদ্ধে যেতিয়া যুঁজ দিবৰ বাবে এইখিনি মানুহে মাস্ক, চেনিটাইজাৰ আদি লৈ ঘূৰি ফুৰিছে তেতিয়া এইখিনি মানুহে নিজৰ কোনো ভুল নোহোৱাকৈয়ে আশ্ৰয় শিবিৰত ল'ৰা-তিৰোতা-বৃদ্ধ-বৃদ্ধাৰ সৈতে কোনো প্ৰাথমিক চেনিটাৰী বা অন্যান্য সা-সুবিধা নোহোৱাকৈ দিন অতিবাহিত কৰিব লগা হৈছে। নিজ ঘৰলৈ কেতিয়া ঘূৰি যাব পাৰিব তাৰো নিশ্চয়তা নাই। ইতিমধ্যে বাঘজানত জুই জ্বলি থকা অৱস্থাতে আৰু আশ্ৰয় শিবিৰত দুৰ্ভগীয়া লোকসকল থকা অৱস্থাতে ৰাজ্য চৰকাৰৰ দুগৰাকী মন্ত্ৰীসহ কেন্দ্ৰীয় পেট্ৰলিয়াম মন্ত্ৰীগৰাকীসহ অসমৰ মুখ্যমন্ত্ৰীগৰাকী বাঘজানলৈ গৈ দুৰ্ভগীয়া ৰাইজক ক্ষতিপূৰণ, পুনৰ সংস্থাপন আদিৰ আশ্বাস দি গ'লহি যদিও ৰাইজ সেই আশ্বাসত কিন্তু মুঠেও সন্তুষ্ট নহয়। তেওঁলোকৰ ক্ষয়-ক্ষতিৰ পৰিমাণ যথেষ্ট বেছি। বিশেষকৈ অঞ্চলটোৰ ৰাইজৰ ঘৰ-দুৱাৰকে ধৰি জৈৱ-বৈচিত্ৰ্য শেষ হৈ যোৱা কথাটোত তেওঁলোক অতিশয় দুখিত। তেওঁলোকে সেই বেদনাৰ পৰা মুক্ত হ'ব পৰা নাই। অত্যন্ত পৰিতাপৰ কথা এইটো।

বাঘজানত ক্ষতি হোৱা ঘৰ-মাটি, গছ-গছনিৰ কিবা ক্ষতিপূৰণ এটা হ'ব বা দিব ছাগৈ অইল আৰু চৰকাৰে। কিন্তু ভয়-শংকা উদ্বেগেৰে ল'ৰা-তিৰোতাক বুকুত সাবটি ভৰ বাৰিষাৰ কদৰ্মময় আশ্ৰয় শিবিৰত দিন কটাব লগা হোৱাৰ যি যন্ত্ৰণা, ভয়াবহ একুৰা জুয়ে কণ কণ শিশুহঁতৰ অন্তৰত সৃষ্টি কৰা যি দুঃস্বপ্ন, য'ৰ পৰা সিহঁতে কাহানিও মুক্তি নাপায়— এইবোৰ ক্ষতিৰ মূল্য কোনেকৈ নিৰূপণ কৰা হ'ব? ভাবি চাইছেনে কোনোবাই? অগ্নিকাণ্ডটোৰ ফলত যিসকল লোকে নিজৰ বাসস্থান, সা-সম্পত্তি আৰু জীৱন ধাৰণৰ পথ হেৰুৱালে সেইসকল লোকক পুনৰ সংস্থাপন আৰু জীৱিকাৰ উপায় দিয়াতো অইল ইণ্ডিয়া লিমিটেড, ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ আগত দায়িত্ব আৰু কৰ্তব্য। তদুপৰি ক্ষতিগ্ৰস্ত অঞ্চলটোৰ সেউজ পৰিৱেশ ওভতাই অনা, জৈৱ-বৈচিত্ৰ্যৰ ওপৰত পৰা প্ৰতিকূল প্ৰভাৱ দূৰ কৰা আদি ব্যৱস্থা অইল তথা চৰকাৰে ল'ব লাগিব। আনহাতে যিসকল কৰ্মচাৰী-বিষয়াৰ ভুলৰ বাবে বাঘজানত এনে দুৰ্যোগ হ'বলৈ পালে তেওঁলোকেও দৃষ্টান্তমূলক শাস্তি পাব লাগিব। অন্যথা ভৱিষ্যতেও এনে দুৰ্ঘটনা সংঘটিত হৈ থাকিব।

লকডাউনৰ দিন ঘোষণাৰ

এই সন্দৰ্ভত কয় যে আজিৰ সন্ধিয়া ৭ বজাৰ পৰা সমগ্ৰ ৰাজ্যতে প্ৰযোজ্য হ'ব কাৰ্ফিউ। আনহাতে, ২৮ জুন ৰবিবাৰৰ নিশা ১২ বজাৰ পৰা ১২ জুলাইলৈ সমগ্ৰ গুৱাহাটীত লকডাউনৰ ঘোষণা কৰে মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। প্ৰথম সপ্তাহ কঠোৰভাৱে পালন কৰা হ'ব লকডাউন। এই সময়ছোৱাত ফাৰ্মাচী' লেবৰটৰিজ' হাস্পতালত'এটি এম' বেংকৰ বাহিৰে সকলো সকলো বন্ধ থাকিব। অত্যাৱশ্যকীয় সামগ্ৰী গেলামালৰ দোকান বন্ধ থাকিব বুলি সংবাদ মেলত ঘোষণা মন্ত্ৰী শৰ্মাৰ। স্বাস্থ্য মন্ত্ৰী হিমন্তই সংবাদ মেলত লকডাউনৰ ঘোষণা কৰাৰ কেইমুহূৰ্তমান পিছতে মহানগৰীৰ বজাৰত হুই চাই দাম বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। জানিব পৰামতে ৩০ টকীয়া আলুৰ প্ৰতি কেজিত ৪০ টকালৈ বৃদ্ধি পালে। পিয়াজ দাম ৪০ টকালৈকে বৃদ্ধি পালে। কণী প্ৰতি প্লেট ১৪০ টকাৰ বিপৰীতে ১৮০ টকালৈ বৃদ্ধি পালে। ইয়াৰ উপৰি শাকপাচলিৰ দাম অভাৱনীয়ভাৱে আজিৰ দিনটোত বৃদ্ধি পোৱা দেখিবলৈ পোৱা গৈছে। ইয়াৰ বাবেই চৰকাৰ প্ৰশাসনে কি পদক্ষেপ ল'ব সেয়া এক বিচাৰ্য বিষয়। সাধৰণ জনসাধৰণে সামগ্ৰী নাতিনীৰ হ'ব বুলি খাদ্য সামগ্ৰী কিনাত ব্যস্ত। সেই সুযোগ গ্ৰহণ কৰি এচাম ব্যৱসায়ী অধিক দামত মূল্য বৃদ্ধি কৰা পৰিলক্ষিত হৈছে। ইয়াৰ বাবেই এইচাম ব্যৱসায়ীক নাকী লগাবলৈ চৰকাৰ তথা প্ৰশাসনক আহ্বান জনায় সৰ্বসাধাৰণ জনসাধৰণে।

আয়োজন কৰিব অষ্ট্ৰেলিয়া

যুটীয়াভাৱে জনোৱা আবেদনখন ৩৫টা ভোটৰ ভিতৰত ২২টা পোৱাত দুয়োখন দেশে এই বিশ্ব কাপ আয়োজনৰ সুবিধা লাভ কৰিলে। ইয়াৰ বিপৰীতে কলম্বিয়ান ফুটবল এছচিয়েছনে ১৩টা ভোট লাভ কৰে। উল্লেখ্য, ২০২৩ চনৰ ফিফা মহিলা বিশ্ব কাপ হ'ব প্ৰথম বিশ্ব কাপ য'ত ৩২টা দলে অংশ ল'ব আৰু দুটা সংগঠন (এছিয়ান ফুটবল কনফেডাৰেছন আৰু ওচেনিয়া ফুটবল কনফেডাৰেছন) প্ৰথমবাৰৰ আতিথ্যত হ'ব।

পাকিস্তানী ভিছাৰে অহা ২০০

যুৱকসকলক নিয়োগ কৰিবলৈ চেষ্টা চলাইছে আৰু জম্মু-কাশ্মীৰত সন্ত্ৰাসৰ সৃষ্টি কৰিবলৈ প্ৰশিক্ষণ দিছে। ২০১৭ চনৰ ফেব্ৰুৱাৰীত পুলৱামা কাণ্ড ভিত্তিত জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বাবে অস্ত্ৰৰে সজ্জিত কৰি পাকিস্তানৰ যুৱক-যুৱতীক প্ৰশিক্ষণ দিছে। সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বাবে যুৱকসকলক প্ৰশিক্ষণ দিয়াৰ পাছত পাকিস্তানে দাবী কৰিছে যে সেইসকল 'স্থানীয় প্ৰতিৰোধ যোদ্ধা'।

আত্মহত্যা কৰিবলৈ অহা

শিৱসাগৰ চহৰৰ দিখৌ দলঙৰ পৰা নদীলৈ জাপ দি আত্মহত্যা কৰা বুলি পৰীক্ষাৰ্থী গৰাকীৰ লগতে আৰক্ষীয়ে ঘোষণা কৰাৰ পিছত অতি নাটকীয়ভাৱে কালি নিশা প্ৰায় ১০ বজাত পৰীক্ষাৰ্থী গৰাকী যোৰহাট জিলাৰ ভোগদৈ দলঙৰ সমীপত উদ্ধাৰ হোৱা ঘটনাই সকলোকে স্তম্ভিত কৰি তুলিছে। উল্লেখ্য যে কালি পুৱা প্ৰায় ৫-৩০ বজাত পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ আগতে চহৰৰ গিৰিজা গগৈ পথৰ উমা শংকৰ শ্বাহ নামৰ ব্যক্তিগত খণ্ডৰ তেল কোম্পানীত কৰ্মৰত ব্যক্তিগৰাকীৰ ১৮ বছৰীয়া তনয়া গৰাকীয়ে দিখৌ দলঙৰ ওপৰত নিজৰ এজোৰ চেণ্ডেল থৈ সন্ধানহীন হয়। ইয়াৰ পূৰ্বে ছাত্ৰীগৰাকীয়ে ঘৰত এটা চুইচাইড নোট লিখি থৈ আহিছিল। পৰীক্ষাত কৃতকাৰ্যতা হোৱাৰ আশা ত্যাগ কৰি আত্মহত্যাৰ পথ বাছি লোৱা বুলি চুইচাইড নোটটোত উল্লেখ কৰিছিল। চেণ্ডেলযোৰ উদ্ধাৰৰ কেইমুহূৰ্তমানৰ পিছতেই ঘটনাস্থলিত ছাত্ৰীগৰাকীৰ মাতৃ উপস্থিত হৈ শোকবিহ্বল হৈ পৰে। তদুপৰি মাতৃয়েও দলঙৰ পৰা নদীলৈ জাপ দিয়াৰ চেষ্টা চলাইছিল যদিও একাংশ লোকে মহিলাগৰাকীক ৰক্ষা কৰে। তাৰ পিছতেই আৰক্ষী আৰু এন.ডি.আৰ.এফ.ৰ জোৱান সংশ্লিষ্ট স্থানত উপস্থিত হৈ দিখৌ নদীত ছাত্ৰী গৰাকীৰ সন্ধানত অভিযান চলায়। সন্ধিয়া সময়লৈকে এই অভিযান চলে যদিও ছাত্ৰগৰাকীৰ কোনো শুংসূত্ৰ উলিয়াব নোৱাৰিলে। ইফালে ছাত্ৰীগৰাকীয়ে নদীত জাপ দিয়াৰ খবৰে টিভি চেনেলৰ পৰা আৰম্ভ কৰি চ'চিয়েল মিডিয়ালৈকে খলকনিৰ সৃষ্টি কৰে। তাৎপৰ্যপূৰ্ণভাৱে ছাত্ৰী গৰাকীৰ মাতৃয়ে কিন্তু সেই মুহূৰ্ত্তলৈ তেওঁ তনয়া জীয়াই আছে বুলি দাবী কৰিছিল। তদুপৰি তেওঁ তনয়া দুযোৰ চেণ্ডেল লৈ ঘৰৰ পৰা ওলাই যোৱা বুলি তেওঁ ব্যক্ত কৰিছিল। নিশা দহমান বজাত সন্ধানহীন ছাত্ৰীগৰাকীক একাংশ লোকে যোৰহাটত ভোগদৈ দলঙৰ ওপৰত বিচৰণ কৰি থকা দেখি যোৰহাট আৰক্ষীক খবৰ দিয়ে। যোৰহাট আৰক্ষীয়ে ছাত্ৰীগৰাকীক উদ্ধাৰ কৰি থানালৈ নিয়াৰ পিছতেই সমস্ত ঘটনা পোহৰলৈ আহে। ছাত্ৰ গৰাকীৰ পৰীক্ষাত অকৃতকাৰ্য হ'লে লজ্জানত হ'ব লগাত পৰাৰ আশংকাৰে ঘৰৰ পৰা পলায়ন কৰাৰ কথা স্বীকাৰ কৰে। তদুপৰি ঘৰৰ পৰা দুযোৰ চেণ্ডেল নি তাৰে এযোৰ দিখৌ দলঙৰ ওপৰত এৰি আত্মহত্যা কৰা বুলি যাতে মানুহে ভাৱে তাৰ এখন নাটক অৱতাৰণা কৰাৰ কথাও ব্যক্ত কৰে। চেণ্ডেলযোৰ দলঙৰ ওপৰতে এৰি ছাত্ৰীগৰাকীয়ে এখন গাড়ীৰে যোৰহাটলৈ ৰাওনা হৈছিল। যোৰহাট আৰক্ষীয়ে শিৱসাগৰ সদৰ থানা আৰক্ষীক বিষয়টো অৱগত কৰাত শিৱসাগৰ আৰক্ষীৰ দল এটা গৈ ছাত্ৰী গৰাকীক নিশাই শিৱসাগৰলৈ আনে। জানিব পৰামতে ছাত্ৰী গৰাকীক অভিভাৱকক গতাই দিয়ে। কিন্তু এই ঘটনাক কেন্দ্ৰ কৰি জনসাধাৰণৰ মাজত ব্যাপক প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। ছাত্ৰীগৰাকীয়ে আত্মহত্যাৰ এখন ভুৱা নাটক ৰচনা কৰাৰ বাবে আৰক্ষীৰ পৰা আৰম্ভ কৰি এন.ডি.আৰ.এফ.ৰ জোৱানসকল অযথা হাৰাশাস্তিৰ সন্মুখীন হ'ব লগাত পৰে। বানপানীৰ সময়ত আৰক্ষী আৰু এন.ডি.আৰ.এফ.ৰ জোৱানসকলে বানাক্ৰান্তক উদ্ধাৰ কৰাৰ পৰিবৰ্তে অযথা দিখৌ নদীত অভিযান চলাবলগীয়া হোৱা বিষয়টোক জনসাধাৰণে সহজভাৱে ল'ব পৰা নাই। ইতিপূৰ্বে ১৮ বছৰ অতিক্ৰম কৰা ছাত্ৰীগৰাকীৰ এই কাণ্ড সকলোৱে গৰিহনা দিছে। ইফালে এক সূত্ৰৰ পৰা জানিবপৰা মতে ছাত্ৰীগৰাকী উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত পুনৰ অকৃতকাৰ্য হয়। বিগত বৰ্ষটো ছাত্ৰীগৰাকীয়ে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ অকৃতকাৰ্য হৈছিল।

২৯ জুনৰ পৰা সৰ্বাত্মক

১০ জন বাঢ়িল আৰু দেশৰ ভিতৰত অসমতে মৃত্যুৰ হাৰ সৰ্বনিম্ন। কালি সংক্ৰমিত হোৱা ২৭৬ জনৰ ভিতৰত কেৱল গুৱাহাটীতে ১৩৩ জন সংক্ৰমিত হৈছে। এনেকৈয়ে কোনো ধৰণৰ উৎস বা কাৰণ নোহোৱাকৈ মহানগৰত ৭৬২ জন আক্ৰান্ত হ'লেও ইয়াৰে ৬৭৭ জনৰ আক্ৰান্তৰ কাৰণ উদ্ধাৰ কৰিব পৰা হোৱা নাই। ফলত সামাজিক সংক্ৰমণ সংঘটিত হোৱাৰ সন্দেহ কৰা হৈছে। গুৱাহাটীৰ ১০ শতাংশ বাসিন্দাৰো মুখত মাস্ক পৰিধান কৰা নাই আৰু সামাজিক ব্যৱধান ৰখা নাই। বিভিন্ন বজাৰ-সমাল, দোকান-পোহাৰ, কাৰ্যালয়, ব্যৱসায়িক প্ৰতিষ্ঠান, যাতায়াত ইত্যাদিত অবাধ গতিৰে স্বাস্থ্যবিধি উলংঘা কৰিছে। ফলস্বৰূপে নিতৌ বৃদ্ধি হৈছে ক'ৰ'নাক্ৰান্ত। ফলত চিকিৎসা সেৱাত জটিলতাৰ সৃষ্টি হৈছে আৰু চিকিৎসালয়সমূহত কেৱল ৮৯২ খনহে বিচনা আছে বুলি মন্ত্ৰীজনে আঙুলিয়াই দিয়ে। জি এম চি এইচক বাদ দিলে উক্ত বিচনাকেইখনৰ বাবে তিনিদিনতে গুৱাহাটীৰ ক'ৰ'ণা আক্ৰান্তই দখল কৰিব। অন্য আক্ৰান্তসকলক তেজপুৰ, নলবাৰী, মৰিগাঁও, নগাঁও আদিলৈ পঠিয়াব লাগিব। কিছুসংখ্যকক নিজৰ ঘৰতে আবদ্ধ কৰি ৰখাৰ বাহিৰে উপায় নাই। চিকিৎসালয়ৰ বিচনাৰ অভাৱ আৰু চিকিৎসাৰ অসুবিধাৰ বাবে এসময়ত ভয়ংকৰ পৰিস্থিতিৰ সন্মুখীন হ'ব লাগিব মহানগৰবাসী। সেয়েহে অহা ২৮ জুনৰ মাজনিশা ১২ বজাৰ পৰা অৰ্থাৎ ২৯ জুনৰ প্ৰথম ক্ষণৰ পৰাই ১২ জুলাইৰ মাজনিশালৈ কঠোৰ লকডাউন বলবৎ থাকিব বুলি ঘোষণা কৰা হৈছে। এই সময়ছোৱাত সকলো চৰকাৰী, বেচৰকাৰী কাৰ্যালয়, ব্যৱসায়িক প্ৰতিষ্ঠান, কাৰখানা, দোকান-পোহাৰ বন্ধ থাকিব। পূৰ্বে গেলামালৰ দোকান, মাছ-মাংস, শাক-পাচলিৰ দোকান খোলা ৰাখিছিল যদিও এইবাৰ সম্পূৰ্ণ বন্ধ থাকিব। প্ৰথম এসপ্তাহলৈ অকাৰণত কোনো লোকক নিজৰ ঘৰৰ চৌহদৰ বাহিৰ নহ'বলৈ সকীয়াই দিছে। দিনে-ৰাতিয়ে কাৰ্ফিউসদৃশ কঠোৰ আইনী নিষেধাজ্ঞাৰ মাজত মহানগৰবাসীয়ে দুটা সপ্তাহ পাৰ কৰিব লাগিব। শ্মশানত ২০ জনতকৈ অধিক লোক যাব নোৱাৰিব। মঠ-মন্দিৰ, ৰাজহুৱা সভা-সমিতি, কাৰ্যালয়লৈ অহা-যোৱা কৰা বন্ধ ৰখা হৈছে। খোলা থাকিব এটিএম সেৱা, পানীৰ, শিশুৰ খাদ্যৰ যোগান, ছপা আৰু বৈদ্যুতিন সংবাদ মাধ্যম, বিদ্যুৎ সেৱা, পানীৰ যোগান, ফাৰ্মাচী, স্বাস্থ্য সেৱা, অগ্নি নিৰ্বাপক বাহিনী, আৰক্ষী আদি অত্যন্ত জৰুৰী আৰু অত্যাৱশ্যকীয় সেৱাসমূহ। সীমিত কৰ্মচাৰীৰ সৈতে বেংকসমূহ খোলা থাকিব। টেলিফোন সেৱা, ইণ্টাৰনেট ইত্যাদি ব্যাহত নহয়। যুটীয়া সচিব পৰ্যায়ৰ বিষয়াৰ উপস্থিতিৰে বিভিন্ন চৰকাৰী বিভাগৰ সঞ্চালকালয় বা মুৰব্বী বিভাগসমূহ খোলা থাকিব। সাত দিনৰ পিছত পৰিস্থিতিৰ পৰ্যালোচনা কৰা হ'ব। প্ৰয়োজন হ'লে গেলামালৰ দোকান, শাক-পাচলি, মাছ-মাংসৰ দোকান আদি খোলা হ'ব। আনহাতে অত্যাৱশ্যকীয় নিৰ্মাণ কাৰ্যসমূহ বিশেষকৈ গণেশগুৰিৰ ফ্লাইঅ'ভাৰ, উত্তৰ গুৱাহাটীৰ এইমছৰ নিৰ্মাণ কাৰ্য, জিএমচিএইচৰ নিৰ্মাণ কাৰ্য ইত্যাদি বন্ধ নহয়। আনহাতে বিভিন্ন জিলাত থকা নগৰ-সমিতি, পৌৰসভা এলেকাসমূহ প্ৰতি শনি আৰু দেওবাৰে লকডাউন পালন কৰা হ'ব। সপ্তাহত দুদিন প্ৰতিমাহে এই কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। যেতিয়ালৈকে ক'ৰ'ণা নিঃশেষ নহয় তেতিয়ালৈ এই কাৰ্যসূচী চলি থাকিব বুলি মন্ত্ৰীজনে ব্যক্ত কৰিছে।

ভাৰত-ভূটান সীমান্তৱৰ্তী বগাকুলিত কঠীয়া তোলাত ব্যস্ত এগৰাকী জনজাতীয় মহিলা। ফটো: দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ

ভগ্নপ্ৰায় বেঁউৰা নৈৰ মথাউৰি মেৰামতিৰ দাবীত চিচিবৰগাঁও আছুৰ স্মাৰকপত্ৰ

দৈনন্দিন বাৰ্তাৰ সেৱা, চিচিবৰগাঁও, ২৬ জুন: বিগত কিছুদিন ধৰি হোৱা ধাৰাষাৰ বৰষুণৰ ফলত ফেনে ফুটুকাৰে বাঢ়ি অহা চিচিবৰগাঁৱৰ চকুলোস্বৰূপ বেঁউৰা নদীৰ বাঢ়নী পানীয়ে যোৱা ২৪ জুনৰ পুৱা প্ৰায় ৯.৩০ বজাত চিচিবৰগাঁও উন্নয়ন খণ্ডৰ সমীপৰ অংশত প্ৰায় ৭০ মিটাৰ বাৰ্ওপাৰে বানে উটুৱাই নিয়াৰ মথাউৰিৰ শীঘ্ৰে মেৰামতিৰ দাবীত আজি চিচিবৰগাঁও আঞ্চলিক ছাত্ৰ সন্থাই চিচিবৰগাঁৱৰ চক্ৰ বিষয়া আৰু বিডিঅ'ক একোখনকৈ স্মাৰকপত্ৰ প্ৰদান কৰে। সন্থাৰ সভাপতি- সম্পাদকক্ৰমে ডিম্পু ভূঞা আৰু উজ্জ্বল শইকীয়াই সাংবাদিকক জানিবলৈ দিয়া অনুসৰি, বেঁউৰা মথাউৰিটো ছিগি লগে লগে চিচিবৰগাঁও গাঁও পঞ্চায়তৰ অধীনৰ চকামৰা, চেচুকণী, ভাটিচুক, গেলুৱাচুক, বৰচুক, চকামৰা মুছলিম গাঁও, কৈৱৰ্ত গাঁৱকে ধৰি প্ৰায় ৮ খন গাঁও জলমগ্ন কৰাৰ উপৰিও ৰাস্তা পদূলি সম্পূৰ্ণৰূপে উটুৱাই নিয়ে। তদুপৰি তীব্ৰ বেগেৰে অহা বেঁউৰা নৈৰ বাঢ়নী পানীয়ে নিমিষতে ভাটিচুকৰ বিতুল চুতীয়াৰ পৰিয়ালৰ লগতে নিকটৱৰ্তী প্ৰায় ১০ টা পৰিয়াল আবদ্ধ হৈ থকা দৰৰ একাংশ খহাই নিয়ে। সমগ্ৰ বিষয়টি জিলা ছাত্ৰ সন্থাৰ সহ সম্পাদক প্ৰফুল্ল হাজৰিকাসহ আছুৰ দলটোৱে প্ৰথমে মথাউৰিটোৰ ছিগা অংশৰ কাষতে থকা ব্লকৰ বিডিঅ'ক সাক্ষাৎ কৰি শীঘ্ৰে মেৰামতিৰ দাবী জনায় যদিও বিডিঅ'ৰ স্বহকা- পিচলাই সম্বাক আচম্বিত কৰি তোলে যদিও মেৰামতি কৰাৰ পোষকতা কৰে। ইয়াৰ পিছতে ভগ্নপ্ৰায় বেঁউৰা নৈৰ মথাউৰিৰ অংশ অতি সোনকালে মেৰামতি আৰু বানাক্ৰান্ত ৰাইজক সাহায্য প্ৰদানৰ সন্দৰ্ভত চক্ৰ বিষয়াক অৱগত কৰি স্মাৰকপত্ৰ প্ৰদান কৰে। উল্লেখযোগ্য যে, যোৱা ২১ জুনত গাইনদী মথাউৰিৰ ভেবেলি- গাইজান অংশ ছিঙি বৃহত্তৰ অঞ্চলটোৰ জনসাধাৰণৰ জীৱন সম্পূৰ্ণৰূপে বিপন্ন কৰি তুলিছিল। বহু ঘৰ-বাৰী ভাঙি নিঃশেষ কৰাৰ লগতে উটুৱাই নিছিল ঘৰৰ প্ৰতিটো আচবাব। তেনে সময়তে বেঁউৰা নদীৰ বানে সংহাৰী ৰূপ ধাৰণ কৰাত নৈ-পৰীয়া ৰাইজে শংকিত হৈ প্ৰাণৰ আশংকাত সা- সামগ্ৰী লৈ নিৰাপদ স্থান কিম্বা আত্মীয় ঘৰ বিচাৰি অন্য ঠাইলৈ ঢাপলি মেলিছে। খবৰ অনুসৰি, এতিয়ালৈকে প্ৰায় শতাধিক গাঁৱৰ পৰিয়ালৰ ঘৰ দুৱাৰ বুৰাই পেলাইছে। সম্প্ৰতি জলস্তৰ বৃদ্ধি হৈয়েই আছে। এনেদৰে পানী বাঢ়ি থাকিলে নিশাৰ ভাগলৈ আৰু অধিক অঞ্চল বানত ডুব যোৱাৰ সম্ভাৱনাই প্ৰকট হৈ পৰিছে।

মাক্স পৰিধান সম্পৰ্কত নাজিৰা মহকুমা প্ৰশাসনৰ কঠোৰ নিৰ্দেশনা

দৈনন্দিন বাৰ্তাৰ সেৱা, কানুগাঁও, ২৬ জুন: মহামাৰী কৰ'ণাৰ ভয়াবহ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি নাজিৰা মহকুমা প্ৰশাসনে মাস্ক পৰিধানৰ ক্ষেত্ৰত কঠোৰ বাধ্যবাধকতা আৰোপ কৰিছে। নাজিৰাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি সম্প্ৰীতি গোস্বামী স্বাক্ষৰিত নং এন.জেড.আৰ.এ.৯১/কবিদ/২০২০/ভল-১/১৩ অনুসৰি মহকুমাটোৰ অন্তৰ্গত সকলো দোকান-পোহাৰ, ব্যৱসায়িক প্ৰতিষ্ঠান, পেট্ৰল পাম্প, গেছ এজেন্সি, হোটেল, ৰেষ্টুৰেণ্ট আদিত ক্ৰেতা-বিক্ৰেতা উভয়ে মাস্ক পৰিধান কৰাটো বাধ্যতামূলক কৰা হৈছে। মাস্ক অবিহনে সমূহ ব্যৱসায়িক প্ৰতিষ্ঠানে ক্ৰেতাক যিকোনো সেৱা আগবঢ়োৱাৰ পৰা বিৰত থাকিবলৈ কোৱা হৈছে। উক্ত আদেশ উলংঘনকাৰীৰ বিৰুদ্ধে অসম মহামাৰী ও দুৰ্যোগ ব্যৱস্থাপনা বিধি অনুসৰি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি প্ৰশাসনে জনাইছে।

বৰঝাৰ বিমান বন্দৰত

কৰিছে সাধাৰণ জনতাক। অবৈধভাৱে যতে-ততে স্থাপন কৰা টোলগেটসমূহ বন্ধ কৰাৰ দাবীত আজি লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ চৌহদত সদৌ অসম কেব অপাৰেটৰ্ছ ইউনিয়নৰ উদ্যোগত চালকসকলে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে হাতে-হাতে বেনাৰ-ফেষ্টুন আদি লৈ অবৈধভাৱে ৰাজ্যৰ যতে-ততে স্থাপন কৰা, টোলগেটসমূহ বন্ধ কৰা আৰু পেট্ৰল-ডিজেলৰ অভাৱনীয় মূল্যবৃদ্ধি ৰোধ কৰি গাড়ীৰ চালক আৰু মালিকক সকাহ দিয়াৰ বাবে দাবী জনাই। এই সন্দৰ্ভত কেইবাটাও দাবী সম্বলিত এখন স্মাৰক-পত্ৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰিছে। লকডাউনৰ সময়ছোৱাত সকলো দিশৰ পৰা কোঙা কৰা চালকসকলৰ উক্ত দাবী শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ বাবে চৰকাৰক আহ্বান জনাইছে। যদিহে এই দাবীসমূহৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰে অন্যথা তীব্ৰ আন্দোলনৰো হুংকাৰ দিছে চালকসকলে। উল্লেখ্য, এই সকলোবোৰ দাবীৰ সমৰ্থনত আজি অল ইণ্ডিয়া ৰোড ট্ৰেন্সপোৰ্ট ৱাৰ্কাৰ্ছ ফেডাৰেছনৰ আহ্বান মৰ্মে এই কাৰ্যসূচী দেশৰ ভিন্ন প্ৰান্তৰ লগতে বিমান বন্দৰত সদৌ অসম কেব অপাৰেটৰ্ছ ইউনিয়নৰ উদ্যোগত এই কাৰ্যসূচী লোৱা হৈছে। উক্ত কাৰ্যসূচীত বিশিষ্ট শ্ৰমিক নেতা তথা ফেডাৰেচনৰ ৰাজ্যিক সম্পাদক বীৰেন শৰ্মা, ইউনিয়নৰ সভাপতি ইছমাইল আলী, সম্পাদক দ্বীপজ্যোতি ডেকাকে ধৰি কেইবাজনকী কৰ্মকৰ্তা, কেব সন্থানসমূহ কৰ্মকৰ্তা-প্ৰতিনিধিসকল উপস্থিত থাকে।

ৰংঘৰ-তলাতল ঘৰৰ প্ৰতি

কৰিব লগা হৈছে নৈ কাষৰীয়া জনসাধাৰণে। বিশেষকৈ শিৱসাগৰ নগৰৰ প্ৰতি তীব্ৰ ভাবুকি কঢ়িয়াই আনিছে চেৰেকাপাৰৰ হাতীমুৰীয়া গাঁৱৰ মথাউৰিটোৱে। মাত্ৰ কেইটামান দিনৰ পূৰ্বে মথাউৰিৰ ওপৰেদি পানী বোৱাৰ ফলত এতিয়াও পানীৰ তলতে আছে বহু লোকৰ বাসগৃহ। এনেদৰে নগৰৰ আনটো পাৰে থকা দিখৌৰ মেটেকা আৰু দিছিয়াল অঞ্চলৰ মথাউৰিৰ তীব্ৰ খহনীয়াই ঐতিহাসিক ৰংঘৰ আৰু তলাতল ঘৰ আৰু সেই অঞ্চলৰ কেইবাখনো তৈল পথাৰৰ প্ৰতিও অশনি সংকেত কঢ়িয়াই আনিছে। এনে সময়তে আজি পৰিস্থিতি বুজ ল'বলৈ শিৱসাগৰত উপস্থিত হয় ৰাজ্যৰ জলসম্পদ মন্ত্ৰী কেশৱ মহন্ত। জিলাখনৰ ডিমৌৰ বিভাগীয় কাৰ্যালয়ত উপস্থিত হৈ প্ৰথমে মন্ত্ৰী গৰাকীয়ে দিচাং নৈৰ বান খহনীয়া পৰিস্থিতিৰ বুজ লয়। বিভাগীয় বিষয়া-অভিযন্তা সকলৰ লগত হোৱা এক গুৰুত্বপূৰ্ণ আলোচনাত দিচাং নৈৰ ৪৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ দুয়োপাৰৰ মথাউৰিটো ভগ্নপ্ৰায় অংশসমূহ মেৰামতি কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। ইয়াৰ পাছত মন্ত্ৰী গৰাকী উপস্থিত হয় শিৱসাগৰ নগৰৰ সমীপৰ চেৰেকাপাৰ হাতীমুৰীয়া গাঁৱৰ দিখৌৰ মথাউৰিত। মন্ত্ৰী গৰাকী উপস্থিত হোৱাৰ লগে লগে স্থানীয় ৰাইজে দীৰ্ঘদিন অব্যাহত থকা খহনীয়া প্ৰতিৰোধ কৰিবলৈ কেশৱ মহন্তক দাবী উত্থাপন কৰে। মন্ত্ৰী গৰাকীয়ে অতি শীঘ্ৰে খহনীয়া প্ৰতিৰোধৰ বাবে ব্যৱস্থা গ্ৰহণৰ আশ্বাস প্ৰদান কৰে স্থানীয় ৰাইজক। নগৰৰ সমীপৰ মঠাদাং দিছিয়ালত দিখৌৱে খহনীয়া সৃষ্টি কৰা অঞ্চলসমূহত উপস্থিত হৈ মন্ত্ৰী গৰাকীয়ে চৰজমিন অনুসন্ধান কৰে। মঠাদাং দিছিয়াল অঞ্চলৰ খহনীয়া পৰিদৰ্শন কালত আছু নেতা শৰৎ হাজৰিকাই মন্ত্ৰী গৰাকীক অঞ্চলটোৰ প্ৰতি আহিব লগা বিপদৰ সংকেত বিষয়ে অৱগত কৰে। আনহাতে ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপৰ বলিয়াঘাটত উপস্থিত হৈ সেই অঞ্চলৰ খহনীয়া আৰু বান পৰিস্থিতিৰো বুজ লয় মন্ত্ৰীগৰাকীয়ে। যোৰহাট আৰু শিৱসাগৰ জিলা সীমান্তৱৰ্তী জাঁজী নৈৰ খহনীয়া সন্দৰ্ভটো এই যাত্ৰাতে মন্ত্ৰী গৰাকীয়ে বুজ লৈ বিভাগীয় বিষয়া-অভিযন্তা সকলক অনতিপলমে কাৰ্যব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ প্ৰদান কৰে। ইফালে পুৰাতত্ত্ববিভাগৰ দ্বাৰা নিৰ্মীয়মান কদ্ৰসাগৰৰ নপুখুৰীৰ চাৰিসীমা আৰু এটি বিভাগীয় কাৰ্যালয়ৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লৈ মন্ত্ৰীগৰাকীয়ে শিৱসাগৰৰ পৰা বিদায় লয়। উল্লেখ্য যে, মন্ত্ৰী গৰাকীৰ সৈতে জিলা উপায়ুক্ত লক্ষীনন্দন গগৈ, অগপ নেতা ঘন গগৈ, ভাৰতী শইকীয়া, বিজেপি জিলা সভানেত্ৰী সুৰভী ৰাজকুঁৱৰীৰ লগতে অন্যান্য বিষয়া অভিযন্তা সকল উপস্থিত থাকে।